بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## মুৰায়ছিয়াৰ যুদ্ধৰ পৰিস্থিতি আৰু ঘটনাৱলী সম্পৰ্কে বৰ্ণনাৰ লগতে বাংলাদেশ আৰু পাকিস্তানৰ আহমদীৰ লগতে মধ্য প্ৰাচ্যৰ মুছলমান সকলৰ বাবে দোৱাৰ তেহেৰিক

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৯ আগষ্ট ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় মুৰায়ছিয়াৰ অভিযান সম্পৰ্কে বৰ্ণনা কৰা হৈ আছিল। তাতে এয়াও বৰ্ণনা কৰা হৈছিল যে আব্দুল্লাহ বিন আবিয়ে আঁহজৰত (ছাঃ)ৰ বিষয়ে মিছা আৰু ভুল কথাবোৰ কৈছিল আৰু মুনাফিকৰ দৰে আচৰণ প্ৰদৰ্শন কৰিছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰাত খাতামান নাবিঈন পুস্তকত এই ঘটনা সম্পৰ্কে ব্যাখ্যা কৰোঁতে লিখিছে যে যুদ্ধ শেষ হোৱাৰ পিছত আঁহজৰত (ছাঃ)য়ে কেইদিন মানলৈ মুৰায়ছিয়াত অৱস্থান কৰিছিল। কিন্তু সেই অৱস্থান কালীন সময়ছোৱাত কাফিৰ আৰু মুনাফিক সকলৰ ফালৰ পৰা এনেকুৱা অসহ্যকৰ ঘটনা ঘটালে যে দুৰ্বল মুছলমানৰ পৰা যুদ্ধা সকললৈ বিপদ নমাই আনে। এনে অৱস্থাত আঁহজৰত (ছাঃ)ৰ বুদ্ধি কৌশল সেই বিপদজ্জনক অৱস্থাৰ পৰা মুছলমান সকলক ৰক্ষা কৰি আনে।

ঘটনা এনেদৰে ঘটিছিল যে হজৰত উমৰ (ৰাঃ)ৰ এজন দাসে অৰ্থাৎ জাহাজ নামী লোক জনে মুৰায়ছিয়াৰ এটা নিজৰাৰ পানী আনিবলৈ যায় এনেতে ছুনান নামৰ আন এজন লোক যি জন আনছাৰ সকলৰ বন্ধু আছিল। তেওঁয়ো পানী আনিবলৈ সেই নিজৰাত গৈছিল। এই দুয়োজন লোকেই মূৰ্খ আছিল। নিজৰাত গৈ দুয়োজনে কাজিয়াত লিপ্ত হৈ পৰে। জাহাজে ছুনানক আঘাত হানি দিয়াৰ লগে লগে তেওঁ চিঞৰিবলৈ আৰম্ভ কৰে যে হে আনছাৰৰ দল মোক সহায় কৰা। যেতিয়া জাহাজে দেখিছিল যে ছুনানে সহায় বিচাৰিছে। তেওঁয়ো মুহাজেৰিণ সকলক সহায় কৰিবলৈ মাতি দিয়ে। যি যি আনছাৰ আৰু মুহাজেৰিণ কাণত এই শব্দ পৰিছিলগৈ, তেওঁলোকে তৰোৱাল লৈ লৈ নিজৰাৰ ওচৰ পাইছিলগৈ আৰু চাওঁতে চাওঁতে তাত বহু মানুহ

জমা হৈ যায় আৰু এনেকুৱা পৰিস্থিতিৰ উদ্ভৱ হয় যে এক পক্ষই আন পক্ষৰ ওপৰত আক্ৰমণ কৰিবলৈ সাজু হৈ পৰে। এনেতে এজন বুদ্ধিমান ব্যক্তিয়ে মুহাজেৰিণ আৰু আনছাৰ সকলৰ মাজত বুজাই বৰাই মীমাংসা কৰি দিয়ে। যেতিয়া এই ঘটনা সম্পৰ্কে আঁহজৰত (ছাঃ)য়ে জানিব পাৰিছিল, তেখেত (ছাঃ)য়ে বৰ বেয়া পাইছিল আৰু এয়া এটা মূৰ্খামি হোৱা বুলি কৈছিল। যেতিয়া মুনাফিক সকলৰ চৰদাৰ আব্দুল্লাহ বিন ছলোলে এই ঘটনা সম্পৰ্কে গম পাইছিল তেতিয়া তেওঁ এই বিবাদ আকৌ লগাই দিবলৈ চেষ্টা কৰে। তেওঁ নিজৰ লগৰীয়া সকলক আঁহজৰত (ছাঃ) আৰু মুছলমান সকলৰ বিৰুদ্ধে বৰকৈ উচটনি দিয়ে আৰু কয় যে যেতিয়া আমি মদিনালৈ ওভতি যাম তেতিয়া এই সন্ধানী ব্যক্তি আৰু অপমানিত ব্যক্তিৰ লগতে এই দলটোক চহৰৰ পৰা খেদি পঠিয়াম। সেই সময়ত তাতে এজন মুখলিচ মুছলমান ল'ৰা জায়েদ বিন আৰকাম (ৰাঃ) উপস্থিত আছিল, তেওঁ কথাবোৰ শুনিছিল আৰু নিজৰ খুৰাৰ জৰিয়তে সকলো বিৱৰি আঁহজৰত (ছাঃ)ক জনায়। হজৰত উমৰ (ৰাঃ)য়ে কথাবোৰ শুনি ক্ৰোধান্বিত হৈ পৰে আৰু আব্দুল্লাহ বিন আবি বিন ছলোলক হত্যা কৰিবলৈ অনুমতি বিচাৰে। কিন্তু হুজুৰ (ছাঃ)য়ে কোমলতাৰে বুজনি দিয়ে আৰু আব্দুল্লাহ আৰু তাৰ লগৰীয়া সকলক মাতি পঠিয়ায়। তেওঁলোকে আহি শপত খাই কয় যে তেওঁলোকে এনেকুৱা কথা কোৱা নাই। আঁহজৰত (ছাঃ)য়ে তৎক্ষণাত  তাৰ পৰা যাত্ৰা কৰিবলৈ আদেশ দিয়ে আৰু মুছলমান সকলে যাত্ৰা আৰম্ভ কৰে। এই সময়ছোৱাত উছেদ বিন হজিৰ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ক প্ৰশ্ন কৰে যে এতিয়াই আমি কিয় যাত্ৰা কৰিব লাগে। তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে তুমি আব্দুল্লাহ বিন আবিৰ কথা শুনা নাই নে ? উছেদ (ৰাঃ)য়ে কৈছিল হয়। শুনিছো ইয়া ৰছুলুল্লাহ (ছাঃ), আপুনি বিচাৰিলে মদিনাত গৈ আব্দুল্লাহ বিন আবিক চহৰৰ পৰা খেদি দিব পাৰিব।

যেতিয়া আব্দুল্লাহ বিন আবি ছলোলৰ পুতেকে এই কথাবোৰ জানিব পাৰে তেতিয়া তেওঁ আঁহজৰত (ছাঃ)ৰ ওচৰত আবেদন জনায় যে ইয়া ৰছুলুল্লাহ ! আপুনি মোক অনুমতি দিয়ক, এতিয়াই মই তাৰ মূৰটো আনি আপোনাৰ পদ তলত ৰাখিম। আঁহজৰত (ছাঃ)য়ে এয়া শুনি কয় যে না মই তাক হত্যা কৰিবলৈ সিদ্ধান্ত লৈছো, আৰু না মই কাৰোবাক এনেকুৱা আদেশ দিছো। নিশ্চয় আমি তাৰ লগত ভাল আচৰণ কৰিম। এই ভ্ৰমণৰ সময়তেই ৰছুলুল্লাহ (ছাঃ)ৰ ওপৰত ওহী নাযিল হয় আৰু জায়েদ বিন আৰকম (ৰাঃ)ৰ কথাৰ সত্যতা প্ৰমাণিত হয়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনা বৰ্ণনা কৰোঁতে কৈছে যে যেতিয়া ইছলামী বাহিনী আহি মদিনাৰ ওচৰ পাইছিলহি তেতিয়া আব্দুল্লাহ বিন আবিৰ পুতেকে আগবাঢ়ি আহি নিজৰ দেউতাকৰ বাট আগচি ধৰে আৰু কয় যে মই তোমাক মদিনাত প্ৰৱেশ কৰিবলৈ নিদিওঁ যেতিয়ালৈকে তুমি তোমাৰ কথা ঘূৰাই নোলোৱা, যি তুমি আঁহজৰত (ছাঃ)ৰ বিৰুদ্ধে ব্যৱহাৰ কৰিছোঁ। যি মুখেৰে তুমি কৈছা যে খোদাৰ ৰছুল নিৰ্লজ আৰু তুমি অপমানিত নিৰ্লজ হয়। এই কথাবোৰ শুনি আব্দুল্লাহ বিন আবিয়ে আচৰিত আৰু ভয় খাই যায় আৰু কয় যে হে মোৰ পুত্ৰ ! মই তোমাৰ লগত একমত আছো যে মহম্মদ (ছাঃ) মৰ্যদা সম্পন্ন সন্মানীয় লোক আৰু মই নিৰ্লজ অপমানিত ব্যক্তি হওঁ। এই কথাখিনি শুনি লৈ আব্দুল্লাহ (ৰাঃ)য়ে দেউতাকক বাট এৰি দিয়ে।

এই অভিযানৰ ভ্ৰমণ কালত হুজুৰ (ছাঃ)ৰ উটনী হেৰাই গৈছিল এয়া দেখি মুনাফিক সকলৰ এজন ব্যক্তিয়ে আনন্দত মতলীয়া হৈ পৰে আৰু এখন বৈঠকত কয় যে ৰছুলুল্লাহ (ছাঃ)য়ে দেখোন অদৃশ্যৰ ডাঙৰ

ডাঙৰ খবৰ ক’ব পাৰে, তেন্তে হেৰাই যোৱা উটনীৰ বিষয়ে একো নাজানে নেকি ? মজলিচত বহি থকা লোক সকলে তাৰ এই মুনাফিকানা কথা শুনি তাক তেওঁলোকৰ পৰা পৃথক কৰি দিছিল। লোকজনে গৈ ৰছুলুল্লাহ (ছাঃ)য়ে থকা বৈঠকত উপস্থিত হয় তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল- মোৰ উট হেৰাই যোৱাত এজন ব্যক্তিয়ে বৰ আনন্দিত হৈছে,অদৃশ্যৰ খবৰ একমাত্ৰ আল্লাহ তা’লাইহে জানে আৰু সি মোক জনাই দিছে যে মোৰ উটনী জনী সেই সন্মুখত থকা ঘাটিত আছে। এই কথাখিনি শুনি মুনাফিক লোক জনে আচৰিত হৈ পৰে আৰু বৰ লাজ পায়। তেওঁ গৈ নিজৰ লগৰীয়া সকলৰ বৈঠকত কয় যে ৰছুলুল্লাহ (ছাঃ)ৰ ওপৰত মোৰ সন্দেহ আছিল কিন্তু আজি সকলো সন্দেহ দূৰ হৈ গৈছে আৰু আজিয়ে যেনিবা মই মুছলমান হলো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই সম্পৰ্কে আৰু বৰ্ণনা ইনশা আল্লাহ আগলৈ কৰা হ’ব। এতিয়া মই বাংলাদেশৰ পৰিস্থিতি সম্পৰ্কে দু-ষাৰ ক’ব বিচাৰিছো। চৰকাৰৰ বিৰুদ্ধে তাত বিদ্ৰোহ চলি আছে, চৰকাৰ ভঙ্গ হৈ গৈছে, বিবাদ চলি আছে, যোৱাকালিৰ পৰা পৰিস্থিতি অলপ সাম কাটিছে। এনে পৰিস্থিতিৰ সুযোগ লৈ জামাতৰ বিৰুদ্ধবাদী সকলে আহমদী সকলৰ ক্ষতি সাধন কৰিবলৈ আৰম্ভ কৰিছে। জামাতৰ কিছুমান মছজিদত সোমাই তেওঁলোকে ভাঙ-চূৰ কৰি সেইবিলাক জ্বলাই দিছে। জামিয়া আহমদীয়া আৰু জামাতি বিল্ডিং সমূহৰ ক্ষতি কৰিছে। ভাঙি ছিঙি বস্তু বাহানি পুৰি পেলাইছে। কেইবাজন আহমদী লোকক আহত কৰি পেলাইছে, তেওঁলোকৰ ঘৰ-দুৱাৰ জ্বলাই দিছে। কোনো কোনো ঘৰ একেবাৰে পুৰি পেলাইছে। মুঠতে বাংলাদেশত পূৰ্ণ অৰাজকতা চলি আছে।

আহমদী সকলে দুবাৰকৈ সেই অঞ্চলত জলছাৰ সময়ত ক্ষতিৰ সন্মুখীন হ’ব লগা হৈছে। সেইবুলি তেওঁলোকৰ ঈমানৰ কোনো পৰিৱৰ্তন হোৱা নাই। আল্লাহ তা’লাৰ কৃপাত ঈমান মজবুত আছে আৰু তেওঁলোকে কৈছে যে আল্লাহ তা’লাৰ নিমিত্তে আমি এইবোৰ কষ্ট সহ্য কৰি ল’বলৈ সাজু আছো। আল্লাহ তা’লা কৃপা বৰ্ষণ কৰক আৰু আহমদী সকলক নিৰাপদে ৰাখক। বিৰোধী সকলৰ বাবে গ্ৰেপ্তাৰী পৰোৱান জাৰি কৰক।

এনেদৰে পাকিস্তানৰ আহমদী সকলৰ বাবেও দোৱা কৰিব। তাতেও আকৌ পৰিস্থিতি বেয়াৰ ফালে ঢাল খাই আছে। আল্লাহ তা’লা তেওঁলোকক সকলো ধৰণৰ বিপদৰ পৰা নিৰাপদ ৰাখক। বৰ্তমানে মোল্লা আৰু বিবাদ প্ৰত্যাশী লোক সকলে আহমদী সকলৰ বিৰুদ্ধে গৰম হৈ উঠিছে। আল্লাহ তা’লা আৰু ৰছুলুল্লাহ (ছাঃ)ৰ নাম লৈ এওঁলোকে জুলুম অত্যাচাৰ চলাবলৈ লৈছে। অতি সোনকালে আল্লাহ তা’লা সিহঁতৰ গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰক।

মধ্য প্ৰাচ্যৰ মুছলমান সকলৰ বাবে দোৱা কৰিব, আল্লাহ তা’লা অত্যাচাৰী সকলৰ হাত দুৰ্বল কৰি গ্ৰেপ্তাৰী পৰোয়ানা জাৰি কৰক আৰু এই জুলুমৰ অন্ত পেলাওঁক। মুছলমান বিশ্বৰ বাবে দোৱা কৰিব, ইহঁতে পৰস্পৰে পৰস্পৰৰ মাজত জুলুম অত্যাচাৰ চলাই আছে। এনে পৰিস্থিতিৰ অৱসান হওঁক আৰু এওঁলোকে আল্লাহ তা’লাৰ সৈতে প্ৰকৃত সম্পৰ্ক গঢ়াৰ তৌফিক লাভ কৰক। যুগ ইমামৰ মান্যকাৰী হওঁক। এয়াই তেওঁলোকৰ বাবে একমাত্ৰ মুক্তিৰ বাট।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন মৰহুমৰ চমু পৰিচয় দাঙি ধৰে আৰু নামাজে

জানাজা গায়েব পঢ়োৱাৰ ঘোষণা কৰে। ইয়াৰে প্ৰথমজন হ'ল মকৰম ডাক্তৰ জাকিউৰ ৰহমান চাহাব শ্বহীদ ইবনে চৌধুৰী আব্দুৰ ৰহমান চাহাব লালা মুছা, জিলা গোজৰাট। যোৱা জলছাৰ সময়ত ৫৩ বছৰ বয়সত মৰহুমক শ্বহীদ কৰা হৈছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুম মালি কোৰবাণীৰ লগতে খিদমতে খালকৰ আগ্ৰহ ৰাখিছিল। দৰিদ্ৰ সকলক বিনামূলীয়া চিকিৎসা প্ৰদান কৰিছিল। মৰহুমে পত্নীৰ সৈতে এজন পুত্ৰ আৰু তিনিজনী জীয়েক ইহজগতত এৰি থৈ যায়।

দ্বিতীয়জন হ'ল মহতৰমা ছৈয়দা বশিৰ চাহিবা পত্নী মালিক বশিৰ আহমদ চাহাব। মৰহুমা মালিক গোলাম আহমদ চাহাব মুৰববী ছিলছিলা ঘানাৰ মাক আছিল। এওঁ পোষ্টিংত থকা বাবে নিজৰ মাকৰ জানাজাত চামিল হ'ব পৰা নাই। মৰহুমা তাহাজ্জুদ গোজাৰ, পাঁচ ওয়াক্ত নামাজী, খিলাফতৰ আনুগত্যকাৰী,দোৱাকাৰী, নেক বুজুৰ্গ মহিলা আছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ বাবে মাগফিৰাত আৰু উচ্চ মৰ্যাদা প্ৰাপ্তিৰ বাবে দোৱা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ মৰ্যদা উন্নীত কৰক। (আমীন)

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 9 AUG 2024**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা